নামৰ প্ৰাকৃতি এবিধ পোৱা যায়। এই প্ৰাকৃতিবোৰক কেতিয়াবা প্ৰয়োগ বিশেষে মূল বা প্ৰকৃতি বুলি আকৌ কেতিয়াবা সৰ্গ বুলি ধৰিব পাৰি। মূলাভাস প্ৰাকৃতিৰ সংখ্যা আপেক্ষিকভাৱে তাকৰীয়া। অসমীয়া ভাষাৰ জন, খন, ডাল, গৰাকী আদি একবচন আৰু নিৰ্দিষ্টতা সূচক প্ৰাকৃতিবোৰ আৰু -বোৰ, -বিলাক আদি বহুবচনাত্মক প্ৰাকৃতিবোৰ এই শ্ৰেণীৰ।

ৰূপতত্ত্বত এই সকলোবোৰৰ উপৰি শব্দ-গঠন আৰু পদ-গঠনৰ বিষয়েও আলোচনা কৰা হয়। শব্দ-গঠনৰ দুটা ভাগ শব্দ-সাধন আৰু সমাস। নতুন নতুন শব্দ তৈয়াৰ কৰা প্ৰণালীকে শব্দ-সাধন বুলি কোৱা হয়। যেনে—

ধান + অনি = ধাননি

নৰা + অনি = নৰানি

ধান, নৰা মুক্তৰূপৰ লগত 'অনি' বদ্ধৰূপ যোগ হৈ ধাননি, নৰানি শব্দকেইটি সাধিত হৈছে। শব্দ-সাধন দুই প্ৰকাৰৰ - সমবৰ্গীয় আৰু বিষমবৰ্গীয় শব্দ-সাধন। বিশেষ্যৰ পৰা বিশেষ্য, ধাতুৰ পৰা ধাতু, বিশেষণৰ পৰা বিশেষণ সাধন কৰিলে সমবৰ্গীয় শব্দ-সাধন হয়। আৰু এটা বৰ্গৰ পৰা অন্য বৰ্গৰ শব্দ-সাধন কৰিলে বিষমবৰ্গীয় শব্দ-সাধন হয়। আনহাতে একাধিক শব্দ সংযুক্ত হৈ যৌগিক শব্দ-সাধন কৰি নতুন অৰ্থ প্ৰদান কৰিলে তাক সমাস বোলে। যেনে— 'বীণা' আৰু 'পাণি' শব্দৰ অৰ্থ ভিন্ন। কিন্তু দুয়োটা শব্দৰ সংযোগত সৃষ্টি হোৱা 'বীণাপাণি' শব্দৰ অৰ্থ সৰস্বতী। এইদৰে ৰূপতত্ত্বৰ শব্দ-গঠন অংশটোত শব্দ-সাধন আৰু সমাস দুয়োটাই বহল অৰ্থত আলোচনা কৰা হয়।

সেইদৰে বাক্যত ব্যৱহাৰৰ উপযোগী হ'বৰ বাবে মুক্তৰূপত বদ্ধৰূপ যোগ কৰি যি প্ৰণালীবদ্ধ পৰিবৰ্তন কৰা হয় তাকে পদ-সাধন বোলে। যেনে— ৰামে ৰুটী খায় — এই বাক্যটোত ৰামৰ লগত 'এ' আৰু খা ধাতুৰ লগত তৃতীয় পুৰুষৰ -'এ' য়ে) বিভক্তি যোগ হৈছে। এইদৰে ৰূপতত্ত্বৰ 'পদ-সাধন' আলোচনাত বিভক্তি, কাৰক, কাল আদিৰ গঠন সম্পৰ্কে আলোচনা কৰা হয়।

- সৰ্গ ঃ মূল প্ৰাকৃতি অৰ্থাৎ প্ৰকৃতিক আশ্ৰয় কৰি যিবোৰ প্ৰাকৃতিয়ে বাক্যত ব্যৱহাৰৰ উপযোগী ভিন্ন ভিন্ন অৰ্থবাচক ৰূপৰ সৃষ্টি কৰিব পাৰে, তেনেবোৰ প্ৰাকৃতিকে সৰ্গ বোলে। যেনে— খাওঁ, যায়, খাম আদি ৰূপত -ওঁ, -এ (য়), -ম আদি সৰ্গ।

অৱস্থানগত দিশেৰে সৰ্গসমূহক তিনিটা ভাগত ভাগ কৰা হয়।

- *পূৰ্বসৰ্গ ঃ* মূল বা প্ৰকৃতিৰ আগত বা বাওঁফালে বহা সৰ্গক পূৰ্বসৰ্গ বোলে। যেনে— সংস্কৃত প্ৰ-, পৰা-, অপ- আদি (প্ৰমাণ, পৰাজয়, অপমান)। অসমীয়াত অ-, অনা-, বে-, বি- আদি (অ-সময়, অ-সমান, অনা-হক, বে-আইনী, বি-পাক, বি-জাত)।
- *অন্তঃসৰ্গ ঃ* কিছুমান ভাষাত মূল বা প্ৰকৃতিটো ফালি তাৰ বুকুৰ ভিতৰত সোমাই ব্যৱহাৰ হোৱা সৰ্গক অন্তঃসৰ্গ বোলে। যেনে—

য়ুৰোক ভাষাত ঃ Sepolah (পথাৰ)

Segepolah (পথাৰবোৰ)

অসমীয়া ভাষাত অন্তঃসৰ্গৰ ব্যৱহাৰ নাই।

➢ *অনুসৰ্গ* : প্ৰকৃতি বা মূল ৰূপৰ পিছত অৰ্থাৎ সোঁহাতে বহা সৰ্গবোৰক অনুসৰ্গ বোলে। যেনে—

-অন : খা - অন > খাৱন

-অনি : ধান - অনি > ধাননি

-ঈ : দেশ - ঈ > দেশী; আদি

গুণগত দিশেৰেও সৰ্গসমূহক শ্ৰেণীবিভাজন কৰা হয়। তলত সেই বিষয়ে বহলাই আলোচনা কৰা হ'ল—

➢ *শব্দ-সাধনমূলক* : যিবোৰ সৰ্গক প্ৰকৃতিৰ লগত সংযোগ কৰি বিভিন্ন অৰ্থবাচক নতুন নতুন শব্দৰ সাধন কৰিব পাৰি সেইবোৰ সৰ্গক শব্দ-সাধনৰ সৰ্গ বোলে। যেনে—

-অনা : √ বাজ - অনা

অনি : বন - অনি; আদি

উল্লেখযোগ্য যে শব্দ-সাধনমূলক সৰ্গই ৰূপৰ অৰ্থৰ পৰিবৰ্তন ঘটাই সম্পূৰ্ণ নতুন শব্দৰ সাধন কৰে। যেনে - খেত + ই > খেতি। পূৰ্বসৰ্গ, কৃৎপ্ৰত্যয়, তদ্ধিত প্ৰত্যয় আদি শব্দ-সাধনমূলক সৰ্গৰ ভিতৰুৱা।

○ পূৰ্বসৰ্গ : অনু : অনু - কাৰ

অনু - ৰূপ

বি - শেষ

অপ - মান আদি।

○ কৃৎ প্ৰত্যয় : ধাতুৰ পিছত যোগ হোৱা প্ৰত্যয়বোৰেই হৈছে কৃৎ প্ৰত্যয়। যেনে—

-অন : √ শো - অন > শোৱন

-অনি : √ ৰো - অনি > ৰোৱনি; আদি।

○ তদ্ধিত প্ৰত্যয় : প্ৰাতিপাদিকৰ পিছত যিবোৰ সৰ্গ বা প্ৰত্যয় লগ লাগে সেইবোৰক তদ্ধিত প্ৰত্যয় বোলে। যেনে—

- অনি : ফুল - অনি > ফুলনি

- ঈ : দেশ - ঈ > দেশী; আদি

শব্দ-সাধনমূলক সৰ্গৰ সংযোগত পোৱা শব্দবোৰ কেতিয়াবা এটা শ্ৰেণীৰ পৰা আন এটা শ্ৰেণীলৈ, যেনে— নাম শব্দৰ পৰা ধাতু শব্দলৈ, ধাতু শব্দৰ পৰা বিশেষ্যলৈ, বিশেষ্যৰ পৰা বিশেষণলৈ পৰিৱৰ্তিত হ'ব পাৰে। যেনে—

ধাতুৰ পৰা বিশেষ্যলৈ :

-অন : √ খা - অন > খাৱন

-অনা : √ বাজ - অনা > বাজনা

-অনি : √ বান্ধ - অনি > ৰান্ধনি